৩ পৃষ্ঠাত


# অসম আদিত্য

আঘোণ, ১৯৪৭ শক ■ মঙলবাৰ, ১৬ ডিচেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Tuesday, December 16, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা



ছোনিয়াৰ ক্ষমা তি

## ৰীমাখণ্ডত



নতুন
বিদেশী
সেই
সংশো
সংসদ
প্ৰশস্ত
অ

াগ নাপালে ঃ দিল্লীত তথাপি

অসম আদিত্য

## এএমচিৰ শিক্ষক-শিক্ষাৰ্থীৰ গীত-নৃ

# গ্ৰন্থমেলাত প্ৰতিফল

ডিব্ৰুগড়, ১৫ ডিচেম্বৰ ঃ আমি চিকিৎসক যদিও একোজন মানুহ। মানুহৰ অন্তৰত মানুহক ভালপাবলৈ, মানুহক সহায় কৰিবলৈ, মানুহৰ দুখ-বেদনা সহ্য কৰিবলৈ আমি সদায় প্ৰস্তুত আছোঁ। আমাৰ সকলোৰে মৰমৰ শ্ৰদ্ধাৰ স্বনামধন্য শিল্পী ড০ ভূপেন হাজৰিকাই সেইবাবে কৈ গৈছিল যে 'মানুহে মানুহৰ বাবে, যদিহে অকণো নাভাবে।' আজি চতুৰ্দশ ডিব্ৰুগড় গ্ৰন্থমেলাৰ বাকৰিত সন্ধিয়া অসম চিকিৎসা মহাবিদ্যালয় আৰু হস্পিতালৰ শিক্ষক সন্থা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানত এইদৰে কয় অসম চিকিৎসা মহাবিদ্যালয় আৰু হস্পিতাল শিক্ষক সন্থাৰ সাংস্কৃতিক সম্পাদক তথা এনাস্থেছিয়া বিভাগৰ বিশেষজ্ঞ ডাঃ কৰুণা দাসে। এএমচিএইচে অসমৰ গণশিল্পী ড০ ভূপেন হাজৰিকা আৰু অসমৰ হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ গীতৰ সমাহাৰেৰে উপস্থাপন কৰা 'গানে কি আনে' শীৰ্ষক আলেখ্যখনে উপস্থিত ৰাইজক আপ্লুত কৰে। মাজে মাজে গান, তাৰ মাজে মাজে ড০ ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ আদৰ্শ, জীৱন দৰ্শনৰ বিৱৰণেৰে দৰ্শকসকলক সন্মোহিত কৰি তোলে। ড০ ভূপেন হাজৰিকাৰ 'বিস্তীৰ্ণ পাৰৰে' শীৰ্ষক

গীত
কৰে
জন
কেই
পৰি
থক
কৰে
আ
বহ
গী
অন
উ
গা
'মে
বহ
পৰি
ছা
অ
প
ডি
অ
এ
অ
প
অ

## ৪ প্ৰবাসী অসমীয়াৰে 'মনৰ পৃথিৱী'

### আজি কানৈ কলেজত অন্তৰংগ আলাপ

ডিব্ৰুগড়, ১৫ ডিচেম্বৰ ঃ অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰী বন্ধন উপ-সমিতি, কানৈ মহাবিদ্যালয়ৰ ৰুক্মিনী দেৱী কানৈ ছাত্ৰী নিবাস, ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাসৰ উদ্যোগত এক মননশীল অনুষ্ঠান অনুষ্ঠিত হ'ব। দক্ষিণ আফ্ৰিকাত দীৰ্ঘদিন ধৰি কাম কৰি থকা প্ৰতিষ্ঠিত বিজ্ঞানী ড০ মুকুট গোহাঁই, ড০ সংগীতা বৰুৱা, ছুইজাৰলেণ্ডৰ বিশিষ্ট চিকিৎসক, লেখক ডেইজী লেখাৰু, স্কটলেণ্ডৰ বিশিষ্ট প্ৰকৃতিপ্ৰেমী, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, বিশিষ্ট লেখিকা 'বিদেশত অকলে' গ্ৰন্থৰ স্ৰষ্টা নিৱলা বৰুৱা অনুষ্ঠানত উপস্থিত থাকি জীৱনৰ অভিজ্ঞতা ছাত্ৰ-ছাত্ৰীয়ে মত-বিনিময় কৰিব। কানৈ মহাবিদ্যালয়ৰ শংকৰদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব লগা এই প্ৰবাসী অসমীয়াৰ সৈতে 'মনৰ পৃথিৱী' কাৰ্যসূচী উদ্বোধন কৰিব মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। বিয়লি ৪.৩০ বজাত অনুষ্ঠিত হ'বলগীয়া কাৰ্যসূচীত সকলোৰে সহযোগিতা কামনা কৰিছে উদ্যোক্তাসকলে।

## দৃষ্টিভংগী

□ অনুপম গুপ্তা



ডিব্ৰুগড় চহৰখন অসমৰ ভিতৰতে এখন গুৰুত্বপূৰ্ণ চহৰ। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি দিশৰ পৰাই ডিব্ৰুগড়ে এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। তথাপি চৰকাৰে চহৰখনৰ উন্নয়নৰ ক্ষেত্ৰত যিধৰণে গুৰুত্ব দিব লাগে সেইধৰণে গুৰুত্ব দিয়া দেখা নাই। অৱশ্যে পূৰ্বতকৈ কিছু পৰিমাণে চহৰখনৰ স্বচ্ছতাৰ ক্ষেত্ৰত পৰিৱৰ্তন হৈছে। নলা-নৰ্দমাসমূহত আজি কিছু বছৰৰ তুলনাত কিছু উন্নতিৰ দিশত অগ্ৰগতি হৈছে। যাৰ বাবে বাৰিষা কালত যমৰ-যাতনা ভুগিবলগীয়া হৈছিল। বৰ্তমান কিছু পৰিমাণে হ'লেও মহানগৰবাসীয়ে সকাহ পাইছে।। স্বচ্ছতাৰ বিষয়টো কেৱল ডিব্ৰুগড় পৌৰসভা বা জিলা প্ৰশাসনৰে দায়িত্ব নহয় ডিব্ৰুগড়ৰ প্ৰতিগৰাকী চহৰবাসীৰে দায়িত্ব আছে। এই ক্ষেত্ৰত ডিব্ৰুগড়ৰ জনসাধাৰণে দৃষ্টি ৰাখিব লাগিব।